**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-01-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি দেশৰ অৰ্থনৈতিক ভাগ্য নিৰ্ণয় কৰাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আৰু স্বদেশী সামগ্ৰীৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ গোলকীয় পৰ্যায়ত নিজৰ স্থিতি সৰল কৰা তথা দেশক উদ্ভাসিত কৰাৰ বাবে দেশৰ যুৱ উদ্যমী, ক্ৰীড়াবিদ, বিজ্ঞানী আৰু বৃত্তিধাৰীসকলক প্ৰশংসা কৰিছে। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধিয়া আজি দেশবাসীক সম্বোধন কৰি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৰে ভাৰতক বিশ্বৰ সৰ্বাধিক যুৱ জনসংখ্যা থকা দেশ হিচাপে উল্লেখ কৰি কয়, যে দেশৰ যুৱ প্ৰজন্মৰ ভালেমান প্ৰতিভা আছে। তেওঁ আত্মসংস্থাপনেৰে দেশৰ যুৱ প্ৰজন্মই উল্লেখনীয়ভাৱে সফলতা অৰ্জন কৰিছে বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে গোলকীয় অনিশ্চয়তাৰ সত্বেও ভাৰতৰ অৰ্থনৈতিক বিকাশ অব্যাহত আছে বুলি প্ৰকাশ কৰে। তেওঁ ভাৰতক বিশ্বৰ দ্ৰুত গতিত বৃদ্ধি হোৱা অৰ্থনীতি বুলি অভিহিত কৰে। বিশ্বৰ তৃতীয় অৰ্থব্যৱস্থাৰ দেশ হিচাপে ভাৰত অগ্ৰসৰ হৈছে বুলি তেওঁ ভাষণত উল্লেখ কৰে। সামগ্ৰী আৰু সেৱা কৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰৰ সিদ্ধান্তৰ সন্দৰ্ভত তেওঁ কয়, যে এই পদক্ষেপে ভাৰতৰ অৰ্থনীতি অধিক সুদৃঢ় কৰিব। চৰকাৰে অলপতে কৰা শ্ৰম সংস্কাৰৰ জৰিয়তে শ্ৰমিকসকল উপকৃত হ'ব বুলি মন্তব্য কৰে। ৰাষ্ট্ৰ প্ৰথম অৱধাৰণা আৰু মেক ইন ইণ্ডিয়াক অধিক গৌৰৱান্বিত কৰাৰ বাবে সকলোকে একেলগে কাম কৰাৰ প্ৰতি তেওঁ আহ্বান জনায়। গণৰাজ্য দিৱস উদযাপনে দেশপ্ৰেমৰ ভাব অধিক সুদৃঢ় কৰাৰ সুবিধা প্ৰদান কৰে বুলি তেওঁ উল্লেখ কৰে। বৃহৎ গণতন্ত্ৰৰ দেশ হিচাপে ভাৰতৰ সংবিধানক বিশ্বৰ ইতিহাসত মৌলিক নথি বুলি তেওঁ উল্লেখ কৰে।

০০০০

সমগ্ৰ দেশতে কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে নতুন দিল্লীৰ কৰ্তব্যপথত গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰিব। এইবাৰৰ পেৰেডত অসমৰ ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হ'ব।

গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰিব। ডিব্ৰুগড় জিলাৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰিব।

০০০০

কেন্দ্ৰীয় চৰকাৰে আজি দেশৰ অসামৰিক সন্মান সমূহ ঘোষণা কৰিছে। দেশৰ ৫ গৰাকী কৃতিমান ব্যক্তিলৈ পদ্ম বিভূষণ, ১৩ গৰাকীলৈ পদ্ম ভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। এইবাৰৰ অসামৰিক বঁটা লাভ কৰা সকলৰ ভিতৰত ১৯ গৰাকী মহিলা আছে। উল্লেখযোগ্য যে ১৬ গৰাকী ব্যক্তিক

এইবাৰ মৰণোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হৈছে। কলাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা বলিউদৰ প্ৰয়াত অভিনেতা ধৰ্মেন্দ্ৰ সিং দেউলক মৰণোত্তৰভাৱে পদ্ম বিভূষণ আগবঢ়োৱা হৈছে। ৰাজহুৱা পৰিক্ৰমাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে কেৰালাৰ কে টি থমাছ, কলাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা উত্তৰ প্ৰদেশৰ এন ৰাজম, সাহিত্যৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা কেৰালাৰ পি নাৰায়ণন লৈ পদ্ম বিভূষণ বঁটা আগবঢ়োৱা হৈছে। কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভি এছ অচ্যুতানন্দন ৰাজহুৱা পৰিক্ৰমাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাৰ বাবে মৰণোত্তৰভাৱে দেশৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান আগবঢ়োৱা হৈছে।

অসমৰ ৫ গৰাকী বিশিষ্ট ব্যক্তিকে ধৰি দেশৰ মুঠ ১৩১ গৰাকী ব্যক্তিলৈ চলিত বছৰৰ পদ্ম সন্মান আজি ঘোষণা কৰা হৈছে।¯ সদ্য প্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থলৈ মৰণোত্তৰভাৱে পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। কলা শিতানত বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া, যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ আৰু কাৰ্বি লোক-সংগীতৰ বিশিষ্ট শিল্পী পখিলা লেকথেপীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে কৃষি ক্ষেত্ৰত এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

ooooo

ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত উত্তৰ পূৰ্বাঞ্চলৰ দুটা বাঁহ প্ৰকল্প মুকলি কৰে। ৮২ কোটি ৫ লাখ টকা ব্যয়সাপেক্ষ এই প্ৰকল্প দুটা মুকলি কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১২ বছৰত উত্তৰ পূৰ্বাঞ্চলত উন্নয়নৰ জোৱাৰ উঠিছে। অসমৰ কাৰ্বি আংলং জিলা আৰু নাগালেণ্ডৰ মুককচাঙত নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্প দুটাত ৪ হাজাৰ ৪০০ যুৱক-যুৱতীক প্ৰশিক্ষণ দি বাঁহেৰে নিৰ্মিত সামগ্ৰীৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

দুলীয়াজানৰ নেহৰু ময়দান ক্ৰীড়া প্ৰকল্পত ১৭ বছৰ অনুৰ্ধৰ ল'ৰাৰ মুখ্যমন্ত্ৰী চাহ জনজাতি আৰু আদিবাসী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন আজি অনুষ্ঠিত হয়। তিনিচুকীয়া আৰু কাছাৰ জিলাৰ মাজত অনুষ্ঠিত খেলখন মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

oooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ আজি গুৱাহাটীত অনুষ্ঠিত খেলত নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ১৫৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৬ অভাৰত ২টা উইকেটৰ বিনিময়ত ৯৪ ৰাণ সংগ্ৰহ কৰিছে।

oooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃ